জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১১/২০২২**

# প্ৰাক্তন মন্ত্ৰী বিনোদ গোৱালাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোকপ্ৰকাশ

**দিছপুৰ, ১৩ এপ্ৰিল ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আজি দেহাৱসান ঘটা প্ৰাক্তন মন্ত্ৰী বিনোদ গোৱালাৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে।

এক বিবৃতিযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা তথা সৰুপথাৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰয়াত বিনোদ গোৱালাই ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক জীৱনলৈ অপৰিসীম বৰঙণি যোগাই যায়। মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ কল্যাণৰ হকে তেখেতে দায়বদ্ধতাৰে আত্মনিয়োগ কৰি ৰাজ্যখনৰ উন্নয়নৰ বাবে নিৰন্তৰভাৱে কাম কৰি গৈছিল। তেখেতৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিনোদ গোৱালাৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

উল্লেখ্যযোগ্য যে প্ৰাক্তন মন্ত্ৰীগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা সময়ত যোৱা ৯ এপ্ৰিলত মুখ্যমন্ত্ৰীয়ে চিকিৎসালয়লৈ গৈ তেখেতৰ স্বাস্থ্যৰ বুজ লৈছিল।

**বীঃগঃ / পুঃডেঃ**
**১৩-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in